

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৭ মাৰ্চ, বৃহস্পতিবাৰ ২০২৫ পৃষ্ঠা ১১

# দিছপুৰ মহাবিদ্যালয়ত অসমীয়া লিপি বিষয়ৰ বক্তৃতানুষ্ঠান

**গুৱাহাটী, ২৬ মাৰ্চ ঃ** সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱসৰ স'তে সংগতি ৰাখি দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত 'অসমীয়া লিপি' বিষয়ক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় গীতেৰে আৰম্ভ হোৱা বক্তৃতানুষ্ঠানটো বন্তি প্ৰজ্বলন আৰু সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে আৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। বৰাই ভাষণ প্ৰসংগত বিভাগৰ প্ৰচেষ্টাক শলাগ জনাই ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পৰা বিষয়ৰ ওপৰত এনে ধৰণৰ বক্তৃতা অনুষ্ঠিত কৰিবলৈ বিভাগক আহ্বান জনায়।

অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা অসমৰ এগৰাকী বিশিষ্ট গৱেষক ড° কনক চন্দ্ৰ চহৰীয়া। চহৰীয়াই অনুষ্ঠানটোৰ মূল বক্তৃতা 'অসমীয়া লিপি' সম্পৰ্কে অতি তথ্যগধুৰ বক্তব্য প্ৰদান কৰে। তেওঁ অসমীয়া লিপি বিষয়ত ক'বলৈ গৈ প্ৰাচীন শিলালিপি, তাম্ৰলিপি তথা সাঁচিপতীয়া লিপিৰ পৰা আধুনিক লিপিলৈ এক সামগ্ৰিক ব্যাখ্যা দাঙি ধৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক পুৰণি অসমীয়া আখৰৰ পঢ়াৰ পৰা কেনেকে অসমীয়া লিপি আধুনিক অসমীয়া আখৰলৈ পৰ্যবসিত হ'ল তাৰ বিষদ বৰ্ণনা দাঙি ধৰে। বিভাগৰ চতুৰ্থ যান্মাসিকৰ ছাত্ৰ চন্দন কলিতাই আঁত ধৰা বক্তৃতানুষ্ঠানটো সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক অজিত প্ৰসাদ শৰ্মাই। অনুষ্ঠানটোত অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী ড° মালবিকা ভট্টাচাৰ্য, বৰ্ণালী বৰা, লীমা কলিতা আৰু ডিম্পী দাস তথা চতুৰ্থ আৰু ষষ্ঠ যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। শেষত সঞ্চালকে নিজৰ বক্তব্য প্ৰদান কৰাৰ পিছত জাতীয় সংগীতেৰে সভাৰ সামৰণি ঘোষণা কৰে।